**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই জন্মলগ্নৰে পৰা দেশপ্ৰেম আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে সেৱা আগবঢ়াই আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। শাৰদীয় দুৰ্গোৎসৱৰ আজি মহা নৱমী। বিজয়া দশমীৰ প্ৰাক্-ক্ষণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হয়।

***আৰু***

৪। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইন্দোৰত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়া নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ চমুকৈ আৰ এছ এছে জন্মলগ্নৰে পৰা দেশপ্ৰেম আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে সেৱা আগবঢ়াই আহিছে। নতুন দিল্লীত আজি আৰ এছ এছৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। দেশ বিভাজনৰ বিভীষিকাৰ সময়ত স্থানচ্যুত লাখ লাখ পৰিয়ালক সীমিত সম্পদেৰে আৰ এছ এছে বিভিন্ন ধৰণে সেৱা আগবঢ়াইছিল বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে দেশক শক্তিশালী কৰাৰ বাবে আৰ এছ এছে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই ১০০ বছৰীয়া যাত্ৰাত আৰ এছ এছে সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত আত্ম-সচেতনতা আৰু গৌৰৱ কঢ়িয়াই অনাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। দেশৰ অতি দুৰ্গম অঞ্চলসমূহৰ লগতে ১০ কোটিৰো অধিক জনজাতীয় লোকক আৰ এছ এছে বিভিন্ন ধৰণে সেৱা আগবঢ়াইছে। চৰকাৰে এইসমূহ সম্প্ৰদায়ক উপেক্ষা কৰিছিল যদিও আৰ এছ এছে তেওঁলোকৰ সংস্কৃতি, উৎসৱ, ভাষা, পৰম্পৰা আদিক অগ্ৰাধিকাৰ দিছিল বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই সংঘই সামাজিক সম্প্ৰীতি বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আৰ এছ এছৰ স্বেচ্ছাসেৱকসকলে দেশৰ সেৱা আৰু সমাজ সৱলীকৰণৰ বাবে নিৰন্তৰ প্ৰচেষ্টা

অব্যাহত ৰাখিছে। ১৯৬৫ চনত গণতন্ত্র দিৱসৰ পেৰেডত আৰ এছ এছৰ স্বেচ্ছাসেৱকসকলে অংশগ্রহণ কৰা দিনটোৰ কথাও প্রধানমন্ত্রীগৰাকীয়ে স্মৰণ কৰে। এই সংঘই দেশলৈ আগবঢ়োৱা অৱদান সন্দৰ্ভত আলোকপাত কৰি শ্রীমোদীয়ে আজিৰ অনুষ্ঠানতেই বিশেষভাৱে প্রস্তুত কৰা এটা স্মাৰক ডাক টিকট আৰু মুদ্রা মুকলি কৰে।

অনুষ্ঠানত অংশগ্রহণ কৰি কেন্দ্রীয় সাংস্কৃতিক মন্ত্রী গজেন্দ্র সিং শেখাৱতে কয়, যে আৰ এছ এছে ৰাষ্ট্র নির্মাণৰ প্রেৰণাক সদায় উদ্বুদ্ধ কৰি আহিছে আৰু দেশবাসীৰ মাজত সাংস্কৃতিক জাগৰণ সৃষ্টিত অৰিহণা যোগাই আহিছে। আৰ এছ এছ চৰকাৰ্যবা দত্তাত্রেয় হোছাবেলে কয়, যে আৰ এছ এছৰ কাম-কাজ আৰু সক্রিয়তা দেশৰ প্রতিটো প্রান্ততে উপলভ্য। তেওঁ কয়, যে সংগঠনটোৰ বিভিন্ন কাম-কাজ সন্দৰ্ভত সমাজত পৰ্যাপ্ত সজাগতা আছে। আৰ এছ এছৰ স্বেচ্ছাসেৱকসকল সামাজিক উন্নয়ন, ৰাষ্ট্রীয় সেৱা, সুৰক্ষা আৰু জনকল্যাণৰ দৰে কামত জড়িত হৈ আহিছে বুলিও তেওঁ প্রকাশ কৰে।

ooooo

শাৰদীয় দুর্গাপূজাৰ আজি মহা নৱমী। মহানৱমী উপলক্ষে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্রীমোদীয়ে আশা প্রকাশ কৰে, যে নৱৰাত্রিয়ে সকলোৰে জীৱনত সু-ভৱিষ্যৎ, সমৃদ্ধি আৰু সাফল্য নিশ্চিত কৰিব।

আজি দেৱী দুর্গাক সিদ্ধিদাত্রী ৰূপত পূজা-অৰ্চনা কৰা হৈছে। দেৱী দুর্গাৰ নৱম ৰূপৰ পূজা কৰাৰ লগতে আজিৰ দিনটোত কুমাৰী পূজাৰো আয়োজন কৰা হয়।

দেশৰ অন্যান্য প্রান্তৰ লগতে অসমতো দেৱী দুর্গাৰ মহানৱমী পূজা অনুষ্ঠিত হৈছে। অৱশ্যে শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে মহিষ মৰ্দিনী দুর্গাৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্রতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্রতি শ্রদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্রতি শ্রদ্ধা জনাই আড়ম্বৰপূর্ণ আয়োজন তথা সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে। জাক-জমকতাৰ বিপৰীতে বৈদিক ৰীতি-নীতি, মাংগলিক নিয়মেৰে দেৱী দুর্গাক ৰাজ্যবাসীয়ে আৰাধনা কৰিছে।

ooooo

বিজয়া দশমীৰ প্রাক্-ক্ষণত ৰাষ্ট্রপতি দ্রৌপদী মুর্মুৱে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্রপতিগৰাকীয়ে কয়, যে দুর্গোৎসৱ হৈছে, অধৰ্মৰ ওপৰত ধৰ্মৰ বিজয়ৰ প্রতীক। এই উৎসৱে মানুহক সত্য আৰু ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ অনুপ্রাণিত কৰে। দেশৰ বিভিন্ন প্রান্তত উদযাপন কৰা ৰাৱণ দাহন আৰু দুর্গা পূজাই জাতীয় মূল্যবোধৰ প্রতিফলন ঘটায় বুলি ৰাষ্ট্রপতিগৰাকীয়ে উল্লেখ কৰে। ন্যায়, সমতা আৰু সমন্বয়ৰ ধাৰণাৰে দেশবাসীক একেলগে উন্নতিৰ দিশে অগ্রসৰ হ'বলৈ ৰাষ্ট্রপতিগৰাকীয়ে আহ্বান জনায়।

ooooo

অসমৰ জনপ্রিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্রেৰণ কৰা হয়। দুই অভিযুক্তক কালি নিশা এছ আই টিয়ে গ্রেপ্তাৰ কৰে। আজি পুৱা গুৱাহাটীত উপস্থিত হোৱাৰ পাছত মুখ্য ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰাই দুয়োকে চি আই ডিৰ কাৰ্যালয়লৈ লৈ অনা হয়। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি আই ডিত দুটাকৈ গোচৰ ৰুজু কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্ত কৰিবলৈ শীঘ্রেই ছিংগাপুৰলৈ এছ আই টিৰ আন এটা দল

যাব বুলি এছ্ আই টিক নেতৃত্ব প্ৰদান কৰা শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই জানিবলৈ দিছে। লগতে তেওঁ কয়, যে পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি, ছিংগাপুৰত গৈ আৰক্ষীৰ দলটোৱে তদন্ত কৰিব। ইতিমধ্যে ছিংগাপুৰ চৰকাৰৰ লগত সকলো আইনী ব্যৱস্থা চলাই থকা হৈছে। ইফালে, এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক এছ্ আই টিয়ে চি আই ডিৰ কাৰ্য্যালয়ত জেৰা কৰিছিল। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্ত কৰিবলৈ শীঘ্ৰেই  এছ্ আই টিয়ে কালিও ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক জেৰা কৰিছিল।

ooooo

যোৰহাটত ৰাজহুৱাকৈ অসম চৰকাৰৰ উদ্যোগত আৰু যোৰহাটবাসী ৰাইজৰ সহযোগত আজি যোৰহাট ষ্টেডিয়ামত শিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ পাছৰ মাংগলিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে জুবিন গাৰ্গৰ চিতাভস্মত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰো ব্যৱস্থা কৰা হৈছে। যোৰহাটবাসী তথা শিল্পী জুবিন গাৰ্গৰ অগণন অনুৰাগীয়ে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, নাম-প্ৰসংগ, দিহানাম, গায়ন-বায়নেৰে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্ত সোনকালে হোৱাৰ লগতে দোষীয়ে উপযুক্ত শাস্তি যাতে পায়, তাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰাগীসকলে চৰকাৰলৈ আহ্বান জনায়। শিল্পীগৰাকীৰ পত্নী গৰিমা  শইকীয়া গাৰ্গে বন্তি প্ৰজ্বলন কৰাৰ পাছতে আৰম্ভ হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা। গৰিমা গাৰ্গে সকলোৰে সহযোগত জুবিন গাৰ্গৰ আধৰুৱা কামখিনি সম্পূৰ্ণ কৰিব লাগিব বুলি উল্লেখ কৰে। লগতে তেওঁ শান্তিপূৰ্ণভাৱে জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ন্যায়ৰ বাবে দাবী জনাবলৈ সকলোকে আহ্বান জনায়।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নতুন দিল্লীত আজি লোকসভাৰ প্ৰাক্তন অধ্যক্ষ জি এম চি বালাযোগীক শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীবিৰলাই কয়, যে অধ্যক্ষ হিচাপে বালাযোগীৰ কাৰ্য্যকাল অতি গুৰুত্বপূৰ্ণ। গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি তেওঁ প্ৰদৰ্শন কৰা দায়বদ্ধতা আজিও প্ৰেৰণাৰ উৎস বুলি লোকসভাৰ অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। লোকসভাৰ সাধাৰণ সচিব উৎপল কুমাৰ সিঙকে ধৰি লোকসভা আৰু ৰাজ্যসভাৰ অন্যান্য ব্যক্তিসকলেও প্ৰাক্তন অধ্যক্ষগৰাকীক শ্ৰদ্ধা নিবেদন কৰে।

ooooo

ডুবাইৰ বিশ্ব বাণিজ্য কেন্দ্ৰত আজি একাদশ বিশ্ব ছেউজ অৰ্থনীতি সন্মিলন মুকলি কৰা হয়। সন্মিলনত ৩০ খনতকৈও অধিক দেশৰ ৩ হাজাৰ ৩০০ৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰিছে। দুদিনীয়াকৈ অনুষ্ঠিত সমাৰেশখনে ডুবাইৰ বহনক্ষম উন্নয়নত বিকাশ হ'ব বুলি আশা কৰা হৈছে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ' ৰেট ৫ দশমিক ৫ শতাংশত অপৰিৱৰ্তিত ৰাখিছে বুলি বেংকটোৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই ঘোষণা কৰিছে। আনহাতে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ মূল ঘৰুৱা উৎপাদন, জি ডি পিৰ হাৰ ৬ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে বুলি আৰ বি আইৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে।

ooooo

দ্বীপৰাষ্ট্ৰ ফিলিপাইনছৰ মধ্য অঞ্চলত হোৱা ভূমিকম্পত নিহতৰ সংখ্যা ৬৯লৈ বৃদ্ধি হৈছে। দেশখনৰ অসামৰিক প্ৰতিৰক্ষা কাৰ্যালয়ৰ তথ্য অনুসৰি প্ৰশাসনে এতিয়াও সন্ধানহীন লোকসকলৰ পৰিচয় উলিয়াবলৈ যত্ন

কৰি আছে। ভূমিকম্পত ভাগি পৰা ঘৰ-বাৰীৰ ধবংসস্তুপত এতিয়াও বহুলোক আবদ্ধ হৈ থকা বুলি খবৰ পোৱা গৈছে। দেশখনৰ মধ্য অঞ্চলৰ ৰিছায়াছ অঞ্চলৰ উপকূলীয় মহানগৰ ছেবুত যোৱানিশা ৬ দশমিক ৯ ৰিখটাৰ স্কেল প্ৰাবল্যৰ এটা শক্তিশালী ভূমিকম্পই জোঁকাৰি যায়। ভূমিকম্পৰ ফলত ডেৰশৰো অধিক লোক আহত হোৱা বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰনি কাষৰীয়া কেইবা প্ৰৱেশত অনুভূত হয়।

০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইন্দোৰত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়া নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডক জয়ৰ বাবে ৩২৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৪৯ অভাৰ ৩টা আটাইকেইটা উইকেট হেৰুৱাই ৩২৬ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ এছলে গাৰ্ডনাৰে সৰ্বাধিক ১১৫ ৰান কৰে। নিউজিলেণ্ডৰ লীয়া টাহুহু আৰু জেছ কেৰে ৩টাকৈ আৰু ব্ৰিয়াৰনে ইলিং আৰু এমিলিয়া কেৰে দুটাকৈ উইকেট লাভ কৰে।

০০০০০

সমাপ্ত